ৰাজ্যিক কাৰ্য্যালয়
# ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ
*"অটল বিহাৰী বাজপেয়ী ভৱন"*
Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

প্ৰেছ বিজ্ঞপ্তি

## বাক্যবানেই মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱৰ শেষ আশ্ৰয় স্থল
## কংগ্ৰেছৰ২০১৬ ৰ সকলো নিৰ্বাচনী কৌশল বিফল

**ৰাজ্যিক সংবাদকোষ, বাজপেয়ী ভৱন,** ৩ নৱেম্বৰ ২০১৫ ঃ আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ মুখপাত্ৰ ৰূপম গোস্বামীয়ে কয় যে মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱৰ শেহতীয়া ৰাজনৈতিক বক্তব্যবোৰে তেখেত যে ক্ৰ'মে জনগণৰ পৰা বিচ্ছিন্ন হৈ হতাশাগ্ৰস্ততাত ভুগিছে সেয়া স্পষ্ট ৰূপত প্ৰমাণ কৰিছে। বিজেপিৰ উত্থানত শংকিত হৈ মহাযোঁটৰ কথা কোৱা মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই অনুভৱ ক্ৰিছে যে তেখেতৰ সকলো নিৰ্বাচনী কৌশল বিফল হৈছে। সেয়েহে আশ্ৰয়হীনতাৰ শংকাই বাৰে বাৰে খেদি ফুৰিছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক। উপায় বিহীন হৈ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই এতিয়াই তেখেতৰ বিবৃতিকে শেষ নিৰ্বাচনী কৌশল হিচাবে অৱলম্বন কৰিছে। কংগ্ৰেছ দলৰ ঐতিহাসিক পৰম্পৰা 'পৰিয়ালকেন্দ্ৰীক ৰাজনীতি' আকৌ এবাৰ কংগ্ৰেছ দলৰ মন্ত্ৰী চন্দন চৰকাৰৰ মুখত স্পষ্ট ৰূপে ফুটি উঠিছে। ইয়াৰ পৰা এইটোৱে উমান পোৱা যায় যে মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই অকল নিজৰ গাদী ৰক্ষাৰ স্বাৰ্থতে অত দিনে ৰাজনীতি কৰি আহিছে। তেখেতৰ মুখত সঘনাই শুনিবলৈ পোৱা যায় যে "কেন্দ্ৰই ধন দিয়া নাই"। কিন্তু আমি তেখেতক প্ৰশ্ন কৰিব বিচাৰিছোঁ যে ২০০৪ চনৰ পৰা ২০১৪ চনলৈ ৰাজ্যখনৰ লগতে কেন্দ্ৰতো কংগ্ৰেছ দলৰ চৰকাৰ আছিল। এতিয়া তেখেতে অসমৰ ৰাইজৰ জ্ঞাতাৰ্থে জনাওক যে অসমৰ জনসাধাৰণৰ বাবে তথা অসমৰ বাবে কি কি উল্লেখনীয় কাম কৰিলে । কথাই-কথাই "বাদ দিয়া হে" জাতীয় তুলুঙা মন্তব্যৰে ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ সমস্যা সমূহ পাতল কৰি ৰাজ্যবাসীৰ জনমতৰ প্ৰতি অশ্ৰদ্ধা প্ৰদৰ্শনৰ বাহিৰে অসমৰ জনসাধাৰণৰ কোনো ধৰণৰ উন্নয়ন সাধিবলৈ সমৰ্থ নহ'ল। মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়া তথা কংগ্ৰেছ দলে সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থত কৰি অহা "টেঙা আম বেচা" এই ৰাজনৈতিক ব্যৱসায় অসমৰ ৰাইজৰ চকুত নপৰাকৈ থকা নাই।

আইন শৃংখলাহীন অৱস্থা, আৰ্থিক উন্নয়নৰ স্থবিৰতা, নিয়োগ তথা নিয়োজনৰ নামত শূণ্যতা লগতে মহিলা সৱলীকৰণ , শিক্ষা, স্বাস্থ্য, খোৱাপানী, ৰাস্তাঘাট, বিজুলী, বানপানী, কৃত্ৰিম বানপানী আদি এশ এবুৰি সমস্যালৈ পিঠি দি কেৱল নিজৰ গাদী ৰক্ষাৰ ৰাজনীতি কৰি অহা কথা বিলাক অসমৰ ৰাইজে তন্ন তন্ন কৈ দৃষ্টি ৰাখি আছে। যোৱা ১৪ বছৰ শাসন কালত মাথো দুৰ্নীতি আৰু প্ৰৱঞ্চনাৰ বাহিৰে ৰাজ্যখনক অন্য একোকে দেখিবলৈ পোৱা নগ'ল। সেয়েহে মাননীয় তৰুণ গগৈ ডাঙৰীয়াই বুজা উচিত যে তেওঁলোকে যিমানেই কৌশল অৱলম্বন নকৰক কিয়, ২০১৬ চনত অসমৰ ৰাইজক আৰু টেঙা আম খুৱাব নোৱাৰিব।

(প্ৰণৱ শইকীয়া)
৯৭০৭৪৯৭৮২৬
সদস্য ,
ৰাজ্যিক সংবাদ মাধ্যম কোষ
ভাৰতীয় জনত পাৰ্টি, অসম প্ৰদেশ